# REGIONAL NEWS UNIT
# AKASHVANI GUWAHATI

0000000000

**Date : 22-09-2025**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

**:::::::::::::::::::**

হিয়াৰ আমঠু জুবিন গাৰ্গৰ কাইলৈ যোৰাবাটৰ সমীপৰ কমাৰকুছিত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হ'ব।

ৰাজ্য চৰকাৰে অসমৰ জনসাধাৰণৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই আদৰৰ শিল্পী জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষা পুনৰ সম্পন্ন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি এখন সংবাদমেল যোগে এই বিষয়ে নিশ্চিত কৰে। তেওঁ কয়, যে ছিংগাপুৰত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছে যদিও ৰাইজে সমগ্ৰ ঘটনাটোক লৈ সন্দেহ প্ৰকাশ কৰাৰ লগতে বাৰম্বাৰ পুনৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে দাবী উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে বাধ্য হৈ এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত কাইলৈ শেষকৃত্য সময়ৰ কিছু সালসলনি হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

মুখ্যমন্ত্ৰীগৰাকীয়ে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰি আৰক্ষী আৰু আইনৰ ওপৰত আস্থা ৰাখি চলিবলৈ আহ্বান জনায়। তেওঁ লগতে সামাজিক মাধ্যমত ঘটনাটোৰ সন্দৰ্ভত বিভ্ৰান্তিকৰ তথ্য বিয়পাই থকা সকলক আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাত বিবৃতি দিবলৈও পৰামৰ্শ দিয়ে। অসম আৰক্ষীৰ দল তদন্তৰ বাবে ছিংগাপুৰলৈ গৈ ঘটনাস্থলীৰ চিচিটিভি ফুটেজ সংগ্ৰহ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

কফিনত শুই থকা প্ৰাণৰ শিল্পীগৰাকীক শেষবাৰৰ বাবে ওচৰৰ পৰা চাবলৈ এই মুহূৰ্তলৈকে অগণন লোকে সৰুসজাই ষ্টেডিয়ামত সমবেত হৈ আছে বুলি আমালৈ খবৰ আহিছে। ৰাজ্যৰ সংগীত ক্ষেত্ৰত কাহানিও পূৰাব নোৱাৰা শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে আজিও অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা নিবেদন কৰে। আজি নিশা ১২ বজা পৰ্যন্ত শিল্পীগৰাকীৰ শেষবাৰৰ বাবে দৰ্শন কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলযোগে প্ৰকাশ কৰে। জুবিন গাৰ্গৰ মৃত্যুত ঘোষণা কৰা ৰাজ্যিক শোক কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কমাৰকুছিত হ'বলগীয়া শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰে। শেষকৃত্য সুকলমে সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। জুবিন গাৰ্গৰ সৎকাৰ ৰঙা চন্দন গছৰ কাঠেৰে কৰা হ'ব। ইতিমধ্যে ডিমৰীয়া

মহাবিদ্যালয় আৰু ডেফডেল গ্ৰুপ অৱ ইন্সষ্টিটিউটে ৪ টন ৰঙা চন্দন প্ৰশাসনৰ হাতত অৰ্পন কৰিছে। আমালৈ অহা খবৰ মতে অন্তেষ্টিক্ৰিয়াৰ স্থান সমাধি নিৰ্মাণৰ কাম এতিয়াও চলি আছে।

কাইলৈ সৰুসজাই ষ্টেডিয়ামৰ পৰা অন্ত্যেষ্টিক্ৰিয়াৰ স্থানলৈ শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ লৈ যোৱা সময়ৰে পৰা শেষকৃত্য সম্পন্ন হোৱালৈ ভিডিঅ'গ্ৰাফী কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কাইলৈ শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ২ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ ৰখা হ'ব আৰু আৰক্ষীয়ে আইন শৃংখলা ৰক্ষাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই জুবিন গাৰ্গৰ অন্তিম যাত্ৰাৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

জুবিন গাৰ্গৰ পৰিয়াল সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সন্মানাৰ্থে কাইলৈ অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকিব। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহ বন্ধ থাকিব যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই ডিব্ৰুগড় জিলা প্ৰশাসনে কাইলৈৰ দিনটো জিলাখনত ড্ৰাই ডে হিচাপে ঘোষণা কৰিছে।

০০০০০০

সেৱা সপ্তাহৰ লগত সংগতি ৰাখি আজি কাৰ্বি আংলং জিলাত মানজা, হাওৰাঘাট, চকীহোলা আৰু বোকাজানত নিক্ষয় মিত্ৰ পদক্ষেপৰ অধীনত যক্ষ্মা ৰোগীৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ যুটীয়া সচিব ৰাজেচন টেৰাঙ, অসম বিধান সভাৰ উপাধ্যক্ষ নুমল মমিন আৰু বিধায়ক দৰচিং ৰংহাঙে ভিন ভিন প্ৰান্তত পৃথকে পৃথকে অংশগ্ৰহণ কৰে।

০০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণৰ আজি বিয়লি ৪ বজাত সামৰণি পৰিছে। আজি পুৱা চাৰে ৭ বজাৰ পৰা অনুষ্ঠিত ভোটগ্ৰহণত ৭২ দশমিক ৬-১ শতাংশ ভোটদান হোৱা বুলি অসম ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত